অসম চৰকাৰ

GOVERNMENT OF ASSAM

**অসম চৰকাৰ**

## উপায়ুক্তৰ কাৰ্যালয়, মাজুলী

**গড়মুৰঃ মাজুলীঃ অসম**

নং-মাজুলী/কৰ'ণা-১৯ সতৰ্কতা/ তাৰিখঃ ১৪/০৫/২০২০

### কুৱাৰেণ্টিনত থকা লোক সকলে মানি চলিব লগা নিয়মসমূহ

১. সকলো সময়তে মাস্ক ব্যৱহাৰ কৰাটো বাধ্যতামূলক ।

২. প্ৰশাসনে কুৱাৰেণ্টিন কেন্দ্ৰ হিচাপে নিৰ্দিষ্ট কৰা হোটেল/অতিথিশালাৰ কোঠাৰ পৰা অনুমতি অবিহনে বাহিৰলৈ ওলাব নোৱাৰিব । নিজৰ কোঠাতে থাকিব লাগিব । প্ৰশাসনৰ লোকে বিচাৰিলেহে বাহিৰলৈ ওলাব পাৰিব। প্ৰশাসনৰ বিনা অনুমতিত হোটেল/অতিথিশালা চৌহদৰ বাহিৰ ওলাই ঘূৰি ফুৰিব নোৱাৰিব।

৩. নিজৰ কোঠাৰ খিৰিকিৰে বাহিৰলৈ থু-খেকাৰ, পিক আদি পেলোৱা সম্পূৰ্ণ নিষেধ ।

৪. কুৱাৰেণ্টিনত থকা অৱস্থাত ঘৰৰ পৰিয়ালৰ কোনো লোক অথবা বন্ধু-বান্ধবীয়ে দেখা কৰিবলৈ আহিব নোৱাৰিব আৰু লগ ধৰাটো সম্পূৰ্ণ নিষেধ ।

৫. প্ৰশাসনৰ অবিহনে আন কোনো লোকৰ পৰা কোনো বস্তু/আহিলা আদি গ্ৰহণ কৰিব নোৱাৰিব আৰু নিজেও দিব নোৱাৰিব। আনকি নিজৰ পৰিয়ালৰ লোকৰ সৈতেও কোনো সামগ্ৰীৰ আদান প্ৰদান কৰিব নোৱাৰিব।

৬. সঘনাই চাবোনেৰে ভালদৰে হাত ধুৱাৰ অভ্যাস পালন কৰিব লাগিব ।

৭. কুৱাৰেণ্টিনত থকা ব্যক্তিসকলে কোনোধৰণৰ ধপাত/গোটখা/পানজাতীয় বস্তু সেৱন কৰিব নোৱাৰিব ।

৮. নিজে খোৱা আহাৰৰ পেকেট, ব্যৱহাৰ কৰা মাস্ক বা আন কোনো পেলনীয়া সামগ্ৰী উপযুক্ত ভাৱে মেৰিয়াই কোঠাৰ বাহিৰত ৰখা নিৰ্দিষ্ট ডাষ্টবিনত নিজে ভৰাই থৈ আহিব লাগিব । পেলনীয়া সামগ্ৰী সমূহ নিৰ্দিষ্ট ডাষ্টবিনৰ বাহিৰে আন ঠাইত থব নোৱাৰিব বা খিৰিকিৰে বাহিৰলৈ পেলাব নোৱাৰিব ।

৯. শিশু, গৰ্ভৱতী মহিলা, বয়োবৃদ্ধ লোক বা শাৰীৰিক বাধাগ্ৰস্ত লোকৰ বাদে আনসকলে নিজৰ সাজ পোচাক বা ব্যৱহৃত কাপোৰ নিজেই ধুব আৰু পৰিস্কাৰ কৰিব লাগিব । নিজৰ কোঠাটো ভালদৰে চাফ-চিকুণ কৰি ৰাখিব লাগিব ।

১০. জ্বৰ, মূৰ কামোৰণি বা আন শাৰীৰিক অসুস্থতাই দেখা দিলে লগে লগে কুৱাৰেণ্টিন কেন্দ্ৰৰ তত্বাৱধায়কক বা হোটেল/অতিথিশালাৰ গৰাকীক অৱগত কৰিব ।

১১. কোঠাত কিবা লাগতিয়াল সামগ্ৰীৰ প্ৰয়োজন হলে অতিথিশালাৰ গৰাকীক যোগাযোগ কৰিব ।

উপায়ুক্ত

মাজুলীঃ অসম

Deputy Commissioner
Majuli